# 2022

## ASSAMESE

Paper : ASM–HC–2016

( ভাষাবিজ্ঞান পৰিচয় )

( Honours Core )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

Created by Hemchandra Mili

১। তলৰ যি কোনো দহটা প্ৰশ্নৰ উত্তৰ দিয়া : ১×১০=১০

(ক) Logos শব্দৰ অৰ্থ কি?

(খ) তলৰ উক্তিটো শুদ্ধ নে অশুদ্ধ লিখা :

"ভাষাবিজ্ঞানত ধ্বনি আৰু বৰ্ণ একে নহয়।"

(গ) ভাষাৰ ক্ষুদ্ৰতম অৰ্থবহ একক কি?

(ঘ) অসমীয়া ভাষাৰ পৰা অৰ্থ-বিস্তাৰ বা অৰ্থ-সম্প্ৰসাৰণৰ এটা উদাহৰণ দিয়া।

(ঙ) পাণিনিয়ে ৰচনা কৰা ব্যাকৰণখনৰ নাম কি?

(চ) 'টেকনে্ গ্ৰামাটিকে' নামৰ গ্ৰীক ভাষাৰ ব্যাকৰণখনৰ লেখকজনৰ নাম লিখা।

(ছ) শিশুৰ ভাষা আহৰণ প্ৰক্ৰিয়াৰ বিষয়ে ভাষাবিজ্ঞানৰ কোনটো শাখাত অধ্যয়ন কৰা হয়?

(জ) কোনবিধ ভাষাবিজ্ঞানে বিদেশী ভাষা শিকাত সহায় কৰাৰ প্ৰয়াস কৰে?

(ঝ) অসমীয়া ভাষাৰ 'ধ্বনিবিজ্ঞানৰ ভূমিকা' নামৰ গ্ৰন্থখনৰ ৰচক কোন?

(ঞ) আধুনিক ভাষাবিজ্ঞানৰ প্ৰতিষ্ঠাতা বুলি কাক কোৱা হয়?

(ট) লিংগ অনুসৰি ভাষাৰ ব্যৱহাৰত বিভিন্নতা দেখা পোৱা যায়নে?

(ঠ) একেটা ভাষাৰ অঞ্চলভেদে হোৱা বিভিন্নতাবোৰৰ অধ্যয়ন ভাষাবিজ্ঞানৰ কোনটো শাখাৰ অন্তৰ্গত?

(ড) ভাষাৰ মূল কি?

(ঢ) শব্দৰ অৰ্থৰ বিষয়ে অধ্যয়ন কৰা অধ্যয়নক কি নামেৰে জনা যায়?

(ণ) "এটা ভাষাৰ মান্যভাষা মানে সেই ভাষাৰ শ্ৰেষ্ঠ উপভাষা।" উক্তিটো সত্যনে?

২। তলৰ যি কোনো পাঁচটা প্ৰশ্নৰ চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) Linguistics আৰু Philology শব্দ দুটাৰ অসমীয়া প্ৰতিশব্দ দুটা লিখা।

(খ) তলৰ যি কোনো এটাৰ সংজ্ঞা লিখা :

ব্যক্তিভাষা ; মান্যভাষা।

(গ) দুবিধ বাগিন্দ্ৰিয়ৰ নাম লিখা।

(ঘ) ৰূপ মানে কি ?

(ঙ) *Syntactic Structure* নামৰ গ্ৰন্থখনৰ ৰচক কোন ? এই গ্ৰন্থখন কিমান খ্ৰীষ্টাব্দত প্ৰকাশ হৈছিল ?

(চ) ভাষাৰ বাহিৰে ভাব-বিনিময়ৰ বাবে ব্যৱহাৰ কৰা যি কোনো দুবিধ সংকেতৰ নাম লিখা ।

(ছ) মানৱ ভাষা আৰু আন জীৱ-জন্তুৱে ভাব-বিনিময়ৰ বাবে ব্যৱহাৰ কৰা মাত বা ধ্বনিৰ মাজত কিবা প্ৰভেদ আছেনে ? বুজাই লিখা ।

(জ) অসমীয়া ভাষাৰ যি কোনো দুটা বৰ্ণৰ উদাহৰণ দিয়া ।

৩ । তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ৫×৪=২০

(ক) ভাষাবিজ্ঞান আৰু ভাষাতত্ত্বৰ পাৰ্থক্য লিখা ।

(খ) বৰ্ণনাত্মক ভাষাবিজ্ঞানৰ এটি পৰিচয় দাঙি ধৰা ।

(গ) ভাষাবিজ্ঞানৰ চৰ্চালৈ ফাৰ্ডিনাণ্ড দ্য ছ্যচুৰৰ অৱদানৰ বিষয়ে চমুকৈ লিখা ।

(ঘ) বিৰোধমূলক বা ভেদাত্মক ভাষাবিজ্ঞানৰ বিষয়ে এটি টোকা লিখা ।

(ঙ) তুলনামূলক ভাষাতত্ত্বৰ পৰিচয় দাঙি ধৰা ।

(চ) ব্যাকৰণ চৰ্চাৰ ক্ষেত্ৰত প্ৰাচীন ভাৰতৰ অৱদানৰ বিষয়ে লিখা ।

(ছ) মনোভাষাবিজ্ঞানৰ পৰিচয় দিয়া ।

(জ) ৰূপতত্ত্ব কাক বোলে, বুজাই লিখা ।

৪। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ১০×৪=৪০

(ক) ধ্বনিবিজ্ঞান, বৰ্ণবিজ্ঞান আৰু ধ্বনিতত্ত্বৰ সংজ্ঞা দি কেউটাৰ মাজৰ সম্পৰ্ক বিচাৰ কৰা।

(খ) পৰিবেশ, বৃত্তি আৰু ব্যক্তিভেদে ভাষাৰ ব্যৱহাৰত ভিন্নতা সৃষ্টি হ'ব পাৰেনে? অসমীয়া ভাষাৰ উদাহৰণ দি বুজাই লিখা।

(গ) ব্যাকৰণৰ গ্ৰীক ধাৰাৰ বিষয়ে লিখা।

(ঘ) ধ্বনিবিজ্ঞানৰ ভাগকেইটা উল্লেখ কৰি প্ৰতিটো ভাগৰ চমু পৰিচয় দিয়া।

(ঙ) ব্যাকৰণ চৰ্চাত পাণিনিৰ অৱদান আৰু গুৰুত্বৰ বিষয়ে লিখা।

(চ) ব্যাকৰণ আৰু ভাষাবিজ্ঞানৰ মাজত তুলনা দাঙি ধৰা।

(ছ) উপভাষাবিজ্ঞানৰ সংজ্ঞা দি ইয়াৰ আলোচ্য বিষয়সমূহৰ আভাস দাঙি ধৰা।

(জ) তলত দিয়াকেইটাৰ সংজ্ঞা লিখি উদাহৰণ দিয়া :

অনুক্ৰম বৰ্ণ; উপাহিত বৰ্ণ; অক্ষৰ; মুক্তৰূপ আৰু বদ্ধৰূপ।

(ঝ) শব্দৰ অৰ্থ পৰিৱৰ্তনৰ ধাৰাসমূহৰ বিষয়ে লিখা।

(ঞ) মান্যভাষা আৰু উপভাষাৰ সম্পৰ্কৰ বিষয়ে অসমীয়া ভাষাৰ উদাহৰণেৰে বুজাই লিখা।

★★★

**2022**

# ASSAMESE

Paper : ASM-HC-2026

**( Sahitya Samalochana )**

( Honours Core )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। যি কোনো দহটা প্ৰশ্নৰ উত্তৰ লিখা : ১×১০=১০

(ক) ৰসতত্ত্বৰ প্ৰৱৰ্তক কোন?

(খ) স্থায়ীভাব কেইটা?

(গ) শব্দ শক্তি কেইপ্ৰকাৰৰ?

(ঘ) 'ধ্বন্যালোক' গ্ৰন্থখনৰ ৰচক কোন?

(ঙ) গুণ-ৰীতিবাদৰ প্ৰধান প্ৰবক্তা কোন?

(চ) কবিতাত চিত্ৰকল্পবাদী আন্দোলনৰ গুৰিধৰোঁতা কবিগৰাকীৰ নাম কি?

(ছ) এগৰাকী অসমীয়া চিত্ৰকল্পবাদী কবিৰ নাম লিখা।

(জ) প্ৰতীকবাদী সাহিত্য ক'ত গঢ় লৈ উঠিছিল?

(ঝ) ট্ৰেজেডি শব্দটোৰ উৎপত্তি ক'ৰ পৰা হৈছে?

(ঞ) এৰিষ্ট'টলে কিহক ট্ৰেজেডিৰ আত্মা বুলি কৈছে?

(ট) আয়নেস্ক'ৱে ৰচনা কৰা এখন এবচাৰ্ড নাটকৰ নাম লিখা।

(ঠ) আলব্যেৰ কেমুৱে কোনখন গ্ৰন্থত এবচাৰ্ড শব্দটোৰ ব্যাখ্যা আগবঢ়াইছিল?

(ড) বাৰ্টল্ড ব্ৰেখট কোন দেশৰ নাট্যকাৰ?

(ঢ) উপন্যাসক কোনে পকেট থিয়েটাৰ বুলি কৈছিল?

(ণ) কোনজন গল্পকাৰৰ হাতত অসমীয়া চুটিগল্পৰ জন্ম হৈছিল?

২। চমুকৈ উত্তৰ লিখা (যি কোনো পাঁচটা) : ২×৫=১০

(ক) ভাৰতীয় অলংকাৰ শাস্ত্ৰত ব্যঞ্জনা মানে কি বুজা যায়?

(খ) ৰীতি কাক বোলে? ৰীতিকেই কাব্যৰ আত্মা বুলি কোনে কৈছিল?

(গ) বিভাৱৰ প্ৰকাৰ দুটাৰ নাম লিখা।

(ঘ) প্ৰতীকবাদৰ দুগৰাকী মুখ্য প্ৰবক্তাৰ নাম লিখা।

(ঙ) বিভিন্ন সমালোচকৰ সমালোচনাৰ আঁত ধৰি কেথাৰছিছ শব্দটোৰ দুটা অৰ্থ লিখা।

(চ) কি উদ্দেশ্যেৰে ব্ৰেখটে নতুন নাট্যৰীতিৰ সৃষ্টি কৰিছিল ?

(ছ) এবচাৰ্ড নাটকৰ দুটা বৈশিষ্ট্য লিখা।

(জ) গাঁথনিৰ আধাৰত উপন্যাসৰ কাহিনীক কি কি ভাগত ভগাব পাৰি ?

৩। যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) ভৰত মুনিৰ ৰসৰ সূত্ৰটো তোমাৰ ভাষাৰে ব্যাখ্যা কৰা।

(খ) কাব্যৰ গুণ মানে কি ? ভামহে উল্লেখ কৰা তিনি প্ৰকাৰৰ গুণৰ নাম লিখা।

(গ) ধ্বনিকাব্য কাক বোলে ? ধ্বনিকাব্যক কিয় উত্তম কাব্য বুলি কোৱা হয় ?

(ঘ) কবিতাত কল্পনাৰ গুৰুত্ব সম্পৰ্কে আলোচনা কৰা।

(ঙ) এৰিষ্ট'টলৰ *Poetics*-ত থকা আলোচনাৰ আধাৰত ট্ৰেজেডিৰ নায়কৰ গুণাৱলীৰ বিষয়ে লিখা।

(চ) উপন্যাসৰ চৰিত্ৰ সম্পৰ্কে নাতিদীৰ্ঘ আলোচনা আগবঢ়োৱা।

(ছ) আঞ্চলিক উপন্যাসৰ বৈশিষ্ট্য সম্পৰ্কে আলোচনা কৰা।

(জ) চুটিগল্পৰ বৈশিষ্ট্যবোৰ আলোচনা কৰি এটা নিবন্ধ যুগুত কৰা।

৪। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) ভৰতৰ মতে ৰস কেইপ্ৰকাৰৰ আৰু কি কি? যি কোনো তিনি প্ৰকাৰ ৰসৰ বিষয়ে আলোচনা কৰা।

(খ) ভাৰতীয় অলংকাৰ শাস্ত্ৰত ধ্বনিতত্ত্বৰ প্ৰধান প্ৰবক্তা কোন? ধ্বনিতত্ত্বৰ মূল কথাখিনি তোমাৰ ভাষাৰে বুজাই লিখা।

(গ) শিল্প সাহিত্যত প্ৰতীকবাদী আন্দোলন কিদৰে বিকশিত হৈছিল, আলোচনা কৰা।

(ঘ) 'অসমীয়া কবিতাত প্ৰতীকৰ প্ৰয়োগ' এই বিষয়ে এটি নিবন্ধ যুগুত কৰা।

(ঙ) চিত্ৰকল্পবাদৰ স্বৰূপ সম্পৰ্কে আলোচনা কৰা।

(চ) এৰিষ্ট'টলৰ মতে ট্ৰেজেডিৰ উপাদান কেইটা আৰু কি কি? প্ৰধান উপাদান তিনিটাৰ বিষয়ে আলোচনা কৰা।

(ছ) ব্ৰেখটীয় নাট্যশৈলীৰ কলা-কৌশল সম্পৰ্কে আলোচনা কৰা।

(জ) যি কোনো এটা অসমীয়া চুটিগল্পৰ আধাৰত চুটিগল্পৰ ইংগিতময়তা সম্পৰ্কে আলোচনা কৰা।

(ঝ) উপন্যাস আৰু চুটিগল্পৰ প্ৰভেদসমূহ বিচাৰ কৰা।

(ঞ) "বিষয়বস্তু, ভাববস্তু আৰু ৰূপবস্তুৰ প্ৰকাৰভেদে উপন্যাসৰ বহু বিভিন্ন ৰূপ।" এই বক্তব্যৰ আলমত যি কোনো দুটা ৰূপৰ বিষয়ে আলোচনা কৰা।

★★★